NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

**HEADLINES**

০০০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিহাৰৰ জামুইত হ'বলগীয়া জনজাতীয় গৌৰৱ দিৱসত অংশগ্ৰহণ কৰিব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয় যে ভাৰত আৰু ফিলিপাইনছৰ সম্পৰ্ক গণতান্ত্ৰিক মূল্যবোধ, বহুত্ববাদী নীতি-নিয়ম আৰু অৰ্থনৈতিক সামঞ্জস্যৰ মাজত শিপাই আছে।

৩। মধুমেহ ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ লক্ষ্যৰে বিশ্বজুৰি আজি বিশ্ব মধুমেহ দিৱস পালন কৰা হৈছে।

৪। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি ৪৩ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা অনুষ্ঠিত হ'ব।

*আৰু*

৫। যোৱা নিশা অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত ভাৰতে দক্ষিণ আফ্ৰিকাক ১১ ৰাণত পৰাজিত কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিহাৰৰ জামুই ভ্ৰমণ কৰি জনজাতীয় গৌৰৱ দিৱসত অংশগ্ৰহণ কৰিব। এই দিৱসৰ জৰিয়তেই ভগৱান বীৰছা মুণ্ডাৰ ১৫০ সংখ্যক জন্ম বাৰ্ষিকী উদযাপনৰ শুভাৰম্ভ কৰা হ'ব। কাইলৈ পুৱা শ্ৰী মোডীয়ে ভগৱান বীৰছা মুণ্ডাৰ সন্মানত এটা স্মাৰক মুদ্ৰা আৰু ডাক টিকট উন্মোচন কৰিব। ইয়াৰ উপৰিও তেওঁ অঞ্চলটোৰ গ্ৰাম্য আৰু দুৰ্গম অঞ্চলৰ জনজাতীয় লোকসকলৰ উন্নয়ন আৰু আন্তঃগাঁথনি উন্নীতকৰণৰ লক্ষ্যৰে ৬,৬৪০ কোটি টকাৰো অধিক মূল্যৰ একাধিক উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয় যে ভাৰত আৰু ফিলিপাইনছৰ সম্পৰ্ক গণতান্ত্ৰিক মূল্যবোধ, বহুত্ববাদী নীতি-নিয়ম আৰু অৰ্থনৈতিক সামঞ্জস্যৰ মাজত শিপাই আছে। নতুন দিল্লীত ভাৰত-ফিলিপাইনছৰ কূটনৈতিক সম্পৰ্কৰ ৭৫ বছৰ উদযাপনৰ বাবে আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ কয় যে দুয়োখন ৰাষ্ট্ৰই আন্তঃৰাষ্ট্ৰীয় আইন, নিয়ম আৰু নীতি ৰক্ষাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয় যে যোৱা কেইবছৰমানৰ পৰা দুয়োখন দেশৰ সম্পৰ্ক অধিক সুদৃঢ় হৈছে। ড০ জয়শংকৰে কয় যে এই সম্পৰ্ক উন্নীত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফিলিপাইনছৰ ৰাষ্ট্ৰপতি ফাৰ্ডিনান্দ মাৰ্কছে উল্লেখযোগ্য ভূমিকা গ্ৰহণ

কৰিছে। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত থকা সহযোগিতাও অধিক আগবাঢ়িছে। তেওঁ লগতে ইয়াকো কয় যে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল একত্ৰিত মূল্যায়ন আৰু আগ্ৰহৰ দ্বাৰা সমৰ্থিত। ড০ জয়শংকৰে কয় যে ভাৰত-ফিলিপাইনছ্ৰ সম্পৰ্কও ভাৰতৰ এক্ট-ইষ্ট নীতিৰ স্বাভাৱিক অংশীদাৰ হৈ আহিছে। ভাৰত আৰু ফিলিপাইনছ্ৰ কূটনৈতিক সম্পৰ্কৰ ৭৫ বছৰ হোৱা উপলক্ষে এটা বিশেষ ল'গ' মুকলি কৰা হয়। ড০ জয়শংকৰে কয় যে এই দুয়োখন দেশৰ মাজৰ বিশেষ সম্পৰ্ক ধৰি ৰাখিছে।

০০০০০০০০০

মধুমেহ ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ লক্ষ্যৰে আজি বিশ্বৰ ভিন্ন স্থানত বিশ্ব মধুমেহ দিৱসৰ আয়োজন কৰা হৈছে। প্ৰতি বছৰে এই দিৱসৰ জৰিয়তে মধুমেহ ৰোগ প্ৰতিৰোধ, আগতীয়াকৈ ৰোগ নিৰ্ণয় আৰু ফলপ্ৰসূ ব্যৱস্থাপনাৰ বাবে উপযুক্ত সা-সুবিধাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰা হয়। এইবেলি "ব্ৰেকিং বেৰিয়াৰছ, ব্ৰীজিং গেপছ" শীৰ্ষক মুলমন্ত্ৰৰে বিশ্ব মধুমেহ দিৱস পালন কৰা হৈছে। প্ৰতিগৰাকী ৰোগীয়ে যাতে উচ্চমানৰ আৰু সুলভ মূল্যৰ চিকিৎসাৰ সুবিধা লাভ কৰে তাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি ৪৩ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা অনুষ্ঠিত হ'ব। এইবাৰৰ মেলাৰ বিষয়বস্তু হৈছে ২০৪৭ চনত বিকশিত ভাৰত। এইবাৰৰ মেলাত ঝাৰখণ্ডক গুৰুত্ব প্ৰদান কৰাৰ লগতে বিহাৰ আৰু উত্তৰ প্ৰদেশ দুয়োখনে অংশীদাৰী ৰাজ্য হিচাপে ভাগ ল'ব। চীন, ইজিপ্ত, ইৰাণ, দক্ষিণ কোৰিয়া, থাইলেণ্ড, তুৰ্কী, সংযুক্ত আৰৱ এমিৰেটছ আদি বিভিন্ন দেশে এই মেলাত অংশগ্ৰহণ কৰিব।

০০০০০০০০০

ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণ কালি শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। ৰাজ্যখনত বিয়লি ৫ বজালৈ ৬৪ দশমিক ৮-৬ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰা বুলি জানিব পৰা গৈছে। ২০১৯ চনৰ বিধানসভা নিৰ্বাচনত এই হাৰ আছিল ৬৩ দশমিক ৯ শতাংশ। ভোটদাতাসকলে নিৰ্বাচন বৰ্জনৰ আহ্বান নেওচি সন্তোষজনক হাৰত ভোটদান কৰা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। আয়োগে লগতে ৰাজ্যখনৰ বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত এলেকাসমূহত ভোটদানৰ হাৰ পূৰ্বৰ তুলনাত বৃদ্ধি পোৱা বুলি জানিবলৈ দিছে।

আনহাতে, কালি অসমৰ পাঁচটা সমষ্টিতো অনুষ্ঠিত উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ বিয়লি ৫ বজাত সামৰণি পৰে। সমষ্টিকেইটাৰ উপ-নিৰ্বাচনত মুঠ ৩৪গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইয়াৰে ধলাই সমষ্টিত ৮গৰাকী, চামগুৰিত ১১ গৰাকী, ছিদলীত তিনিগৰাকী, বিহালীত চাৰিগৰাকী আৰু বঙাইগাঁও সমষ্টিত ৮গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছে। সমষ্টিকেইটাৰ মুঠ ৯ লাখ ১২ হাজাৰ ভোটদাতাই এই ৩৪গৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ভাগ্য নিৰূপণ কৰিব।

০০০০০০০০০

ঝাৰখণ্ডৰ গিৰিধে জিলাৰ গাণ্ডে বিধানসভা আসনৰ বাবে ভোটদান অনুষ্ঠিত হ'ব। ৰাজ্যখনত চলিত মাহৰ ২০ তাৰিখে দ্বিতীয় পৰ্যায়ৰ ভোটদান অনুষ্ঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত গাণ্ডোতো এই ভোটদান অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে এই আসনখনৰ বাবে জে এম এমৰ প্ৰাৰ্থী হিচাপে কল্পনা মুৰ্মুৱেও প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। শ্ৰীমতী মুৰ্মু হৈছে মুখ্যমন্ত্ৰী হেমন্ত চোৰেণৰ পত্নী।

০০০০০০০০০

ঝাৰখণ্ডত প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ পিছত চলিত মাহৰ ২০ তাৰিখে হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে । এন ডি এ আৰু আই. এন. ডি. আই. এ শিবিৰৰ নেতাসকলে নিজ নিজ অঞ্চলত আজি সমষ্টিবাসীক সম্বোধন কৰিব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যখনত আজি এন ডি এৰ হৈ প্ৰচাৰ চলাব। অমিত শ্বাহে গিৰিডিহ, গাণ্ডে আৰু বোকাৰোত তিনিখন নিৰ্বাচনী সভাত অংশ লোৱাৰ সমান্তৰালকৈ উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ধনবাদ, বোকাৰো আৰু বেৰ্মোত নিৰ্বাচনী সভাত জনতাক সম্বোধন কৰাৰ কথা। দেওঘৰ, ডুমকা আৰু বোকাৰোত জেএমএম দলৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হেমনন্ত চোৰেণেও নিৰ্বাচনী সভাত প্ৰচাৰ চলাব। আৰজেডি আৰু বাওঁপন্থী দলৰ নেতাসকলেও বিভিন্ন প্ৰচাৰ সভাৰ আয়োজন কৰিছে। ঝাৰখণ্ডত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ চলিত মাহৰ ২০ তাৰিখে অনুষ্ঠিত হ'ব আৰু ২৩ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

০০০০০০০০০

কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা কৰ্তৃপক্ষই কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰি কৈছে যে অভিভাৱক আৰু প্ৰশিক্ষাৰ্থীক বিপথে পৰিচালিত হোৱাৰ পৰা ৰক্ষা কৰিবলৈ সকলো কোচিং প্ৰতিষ্ঠানে নিজৰ ছাত্ৰ-ছাত্ৰী আৰু পাঠ্যক্ৰমৰ সবিশেষ তথ্য প্ৰকাশ কৰিব লাগিব। বিভিন্ন কোচিং ইনষ্টিটিউটে ব্যৱহাৰ কৰা বিভ্ৰান্তিকৰ বিজ্ঞাপনৰ বিৰুদ্ধে নতুন দিল্লীত গ্ৰাহক পৰিক্ৰমা সচিব নিধি খাৰে এই নীতি-নিৰ্দেশনা জাৰি কৰে।

০০০০০০০০০

নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি অনুৰা কুমাৰ দিশানায়কেৰ বাবে এটা গুৰুত্বপূৰ্ণ পৰীক্ষাত আজি শ্ৰীলংকাই নতুন সংসদ নিৰ্বাচনৰ বাবে ভোটদান কৰিব। ১ কোটি ১৭ লাখৰো অধিক ভোটাৰে ২২৫ জনীয়া সংসদীয় আসনৰ বাবে ৮ হাজাৰ ৮০০ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। শ্ৰী দিশানায়কেৰ সংস্কাৰ কাৰ্যসূচীক আগুৱাই নিবলৈ সংসদত সংখ্যাগৰিষ্ঠতা লাভৰ লক্ষ্য লোৱা বাবে এই নিৰ্বাচনক লীটমাচ টেষ্ট হিচাপে দেখা গৈছে। শাসকীয় দলটোৱে ছাজিথ প্ৰেমাদাশাৰ নেতৃত্বত গঠিত ছামাগী জন বালাৱেগয়া আৰু প্ৰাক্তন ৰাষ্ট্ৰপতি ৰাণিল উইক্ৰেমসিংহৰ সৈতে মিত্ৰতা কৰা নিউ ডেমক্ৰেটিক ফ্ৰণ্টকে ধৰি বিৰোধী দলসমূহৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। খাদ্য আৰু ইন্ধনৰ মূল্য বৃদ্ধি আৰু আই এম এফৰ বেইল আউটৰ সৈতে জড়িত কঠোৰতাই অধিক তীব্ৰতৰ কৰি তোলা অৰ্থনৈতিক উদ্বেগৰ কাৰণ উত্থাপন কৰি এই নিৰ্বাচনত জনসাধাৰণৰ বাবে পৰিৱৰ্তনৰ জোৱাৰ অনাত গুৰুত্ব দিছে।

000000000

জম্মু-কাশ্মীৰৰ দক্ষিণ কাশ্মীৰ অঞ্চলৰ পুলগাম জিলাৰ সুধসুনাৰ বেহিবাগত সন্ত্ৰাসবাদী আৱদ্ধ হৈ থকা বুলি সন্দেহ কৰি সেই স্থানৰ চাৰিওফালে নিৰাপত্তা বাহিনীয়ে ঘেৰাও কৰি ৰাখিছে। সন্ত্ৰাসবাদীৰ পলায়নৰ আশংকাত আৰু অধিক বাহিনী মোতায়েন কৰা হৈছে।

000000000

দক্ষিণ আফ্ৰিকাৰ ছুপাৰস্প'র্ট উদ্যানত অনুষ্ঠিত টি টুৱেন্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগীতাৰ চাৰিখনীয়া শৃংখলাৰ তৃতীয়খন খেলত কালি নিশা ভাৰতে দক্ষিণ আফ্ৰিকাক ১১ৰাণত পৰাজিত কৰে। ভাৰতে এই জয়ৰ পাছত চাৰিখনীয়া শৃংখলাত ২-১ ফলাফলত অগ্ৰগতি লাভ কৰিছে। খেলখনত ভাৰতে ২২০ ৰানৰ বিজয় লক্ষ্য বান্ধি দিছিল। ইয়াৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত বিশ অভাৰত ৭ উইকেটৰ বিনিময়ত ২০৮ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে আয়োজক দলটোৱে টছত জয়লাভ কৰি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰথমে বেট ধৰি ভাৰতে নিৰ্ধাৰিত বিশ অভাৰত ৬ উইকেটৰ বিনিময়ত ২১৯ ৰান সংগ্ৰহ কৰে। খেলখনত তিলক বৰ্মাই ৫০টা বলত ১০৭ ৰান আৰু অভিষেক শৰ্মাই ২৫টা বলত ৫০ ৰান সংগ্ৰহ কৰে। আয়োজক দলটোৰ হৈ এণ্ডিলে ছিমেলানে আৰু কেশৱ মহাৰাজে দুটাকৈ উইকেট দখল কৰাৰ বিপৰীতে মাৰ্কো জান্সেনে এটা উইকেট দখল কৰে। ভাৰতৰ হৈ আৰ্শদীপ সিঙে ৩টা, বৰুণ চক্ৰৱৰ্তীয়ে দুটা, হাৰ্দিক পাণ্ডিয়া আৰু অক্ষৰ পেটেলে এটাকৈ উইকেট দখল কৰে। তিলক বৰ্মাক প্লেয়াৰ অফ দা মেটচ সন্মান প্ৰদান কৰা হয়। শুকুৰবাৰে জোহান্সবাৰ্গৰ ৱাণ্ডাৰাৰছ ষ্টেডিয়ামত শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন খেল অনুষ্ঠিত হ'ব।

000000000

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে ৱেষ্ট ইণ্ডিজ আৰু আয়াৰলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া ঘৰুৱা শৃংখলাৰ সময়সূচী ঘোষণা কৰিছে। ভাৰতীয় দলটোৱে অহা মাহত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে আৰু ২০২৫ চনৰ জানুৱাৰীত আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ১৫ ডিচেম্বৰৰ পৰা মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে তিনিখনীয়া টি-২০ শৃংখলাৰ আৰম্ভ হ'ব। ইয়াৰ পিছতে ২০২৫বৰ্ষৰ জানুৱাৰীত গুজৰাটৰ ৰাজকোটত হবলগীয়া তিনিখন এদিনীয়া শৃংখলাত ভাৰত, আয়াৰলেণ্ডৰ মুখামুখি হ'ব।

000000000

সমাপ্ত